**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-06-2024
**Time :** 18.45 Hrs.

***Assamese Evening Bulletin***

:::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। পৰহিলৈ সন্ধিয়া ৬ বজাত নৰেন্দ্ৰ মোদীৰ তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ। এন ডি এৰ নেতাসকলৰ ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ দাবী উত্থাপন। শপত গ্ৰহণ অনুষ্ঠানক লৈ ব্যাপক প্ৰস্তুতি অব্যাহত।

২। এন ডি এ সংসদীয় দলৰ এখন বৈঠকত নৰেন্দ্ৰ মোদীক নেতা হিচাপে নিৰ্বাচিত। বৈঠকত অন্যান্যসকলৰ লগতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

৩। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ একেৰাহে অষ্টমবাৰৰ বাবে ৰেপ'ৰেট অপৰিবৰ্তিত।

৪। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত আয়োজিত স্বাস্থ্য মন্থন ১২ শীৰ্ষক কৰ্মশালাত প্ৰতিখন জিলাৰ স্বাস্থ্য সেৱা প্ৰদৰ্শনৰ পৰ্যালোচনা। *আৰু*

৫ । টি-২০ ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাৰ এখন খেলত আজি কানাডা- আয়াৰলেণ্ড মুখামুখি।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। ৰাষ্ট্ৰপতি ভৱনত সন্ধিয়া ৬ বজাত শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰী মতী দ্ৰৌপদী মুৰ্মুৱে নৰেন্দ্ৰ মোদী আৰু তেওঁৰ নতুন কেবিনেটক শপতবাক্য পাঠ কৰোৱাব।এন ডি এৰ নেতাসকলে আজি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে দাবী জনায়। ইতিমধ্যে এন ডি এৰ সংসদীয় দলে সৰ্বসন্মতি ক্ৰমে নৰেন্দ্ৰ মোদীক তেওঁলোকৰ নেতা হিচাপে নিৰ্বাচন কৰিছে। নতুন দিল্লীৰ পুৰণি সংসদ ভৱনৰ চেণ্ট্ৰেল হলত অনুষ্ঠিত এন ডি এ সংসদীয় দলৰ বৈঠকত বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিঙে এন ডি এৰ নেতা হিচাপে শ্ৰী মোদীৰ নাম প্ৰস্তাৱ কৰে। এই প্ৰস্তাৱত এন ডি এৰ সকলো দলে সমৰ্থন জনায়। শ্ৰী মোদী লোকসভাত বিজেপিৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ লগতে বিজেপি সংসদীয় দলৰ নেতা হিচাপেও নিৰ্বাচিত হৈছে।

তেলেগুদেশম পাৰ্টীৰ মুৰব্বী চন্দ্ৰবাবু নাইডুৱে কয় যে, নৰেন্দ্ৰ মোদীৰ দুৰদৰ্শী নেতৃত্বৰ অধীনত এন ডি এ চৰকাৰে বিগত ১০ বছৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। মোদীৰ নেতৃত্বক প্ৰশংসা কৰি তেওঁ কয় যে, ভাৰতে এগৰাকী সঠিক নেতা লাভ কৰিছে। প্ৰধানমন্ত্ৰীৰ প্ৰতি সমৰ্থন ব্যক্ত কৰি বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ সভাপতি নীতিশ কুমাৰে মোদীৰ নেতৃত্বত একেলগে কাম কৰি যোৱাৰ আকাংক্ষা ব্যক্ত কৰে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী আৰু শিৱসেনাৰ সিন্দে দলৰ নেতা একনাথ সিন্দে, এল জে পি আৰৰ মুৰব্বী ছিৰাগ পাছৱান, এন চি পিৰ নেতা অজিত পাৱাৰ, জনসেনাৰ মুৰব্বী পৱন কল্যাণ, আপনা দল এছৰ নেতা অনুপ্ৰিয়া পেটেল আৰু জে ডি এছৰ নেতা এইচ ডি কুমাৰাস্বামীয়েও প্ৰস্তাৱত সমৰ্থন জনায়। শ্ৰী মোদীয়ে ভাষণ প্ৰসংগত এন ডি এ ক্ষমতাৰ বাবে একত্ৰিত হোৱা নাই বুলি উল্লেখ কৰি কয় যে, এই মিত্ৰজোঁটে সদায় দেশক অগ্ৰাধিকাৰ দি কাম কৰি যোৱাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁ লগতে এন ডি এক ভাৰতৰ ইতিহাসৰ আটাইতকৈ সফল মিত্ৰজোঁট হিচাপে আখ্যা দিয়ে। দেশৰ জনসাধাৰণে ২২ খন ৰাজ্যত চৰকাৰ গঠনৰ জৰিয়তে এন ডি এক

পুনৰ দেশসেৱাৰ সুবিধা প্ৰদান কৰিছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে। এন ডি এ চৰকাৰে সুপ্ৰশাসন তথা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সৰ্বসাধাৰণৰ জীৱনত ন্যূনতম হস্তক্ষেপ কৰাৰ হে পোষকতা কৰে বুলি তেওঁ কয়। শ্ৰী মোদীয়ে জনসাধাৰণৰ জীৱন শৈলী উন্নত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি উল্লেখ কৰে। শ্ৰী মোদীয়ে লোকসভা নিৰ্বাচনত কংগ্ৰেছে ১০০ খন আসন লাভ কৰিব নোৱৰা দিশটোৰ প্ৰতি উনুকিয়াই দিয়াৰ লগতে বিৰোধী মিত্ৰজোঁটক সমালোচনা কৰে। ইপিনে বিজেপিৰ সভাপতি জে পি নাড্ডাই ওড়িশা আৰু অন্ধ্ৰপ্ৰদেশত দলটোৰ সাফল্যক প্ৰশংসা কৰে। অনুষ্ঠানত আৰ এল ডিৰ মুৰব্বী জয়ন্ত চৌধুৰীৰ লগতে পীয়ুষ গোয়েল, অনুৰাগ ঠাকুৰকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী উপস্থিত থাকে। তদুপৰি উত্তৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী য়োগী আদিত্য নাথ, গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পাটেল, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱ, গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ সাৱান্ত, অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মণিপুৰৰ মুখ্যমন্ত্ৰী এন বিৰেণ সিঙো উপস্থিত থাকে। ড০ হিমন্ত বিশ্ব শৰ্মাই এন ডি এৰ সংসদীয় দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ বাবে নৰেন্দ্ৰ মোদীক অভিনন্দন জনায়। ড০ শৰ্মাই কয় যে, এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালে সংস্কাৰৰ নতুন প্ৰভাত কঢ়িয়াই অনাৰ লগতে দেশৰ জনসাধাৰণক বিকাশৰ দিশে ধাবমান কৰাব। বিগত দশকত নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, এই বিকাশৰ ধাৰা অব্যাহত থাকিব। বিগত তিনি বছৰত চৰকাৰৰ প্ৰচেষ্টা তথা কেন্দ্ৰীয় চৰকাৰৰ সক্ৰিয় সমৰ্থন সহায়ত ৰাজ্যত শান্তি বিৰাজ কৰাৰ লগতে স্থিৰতা ওভতি আহিছে বুলি তেওঁ মতপ্ৰকাশ কৰে। প্ৰায় সকলো আগশাৰীৰ সন্ত্ৰাসবাদী গোটে আত্মসমৰ্পন কৰাৰ লগতে বিকশিত অসম গঢ়ি তোলাৰ লক্ষ্যৰে মূল সুঁতিলৈ উভতি আহিছে বুলি তেওঁ উল্লেখ কৰে। একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে এন ডি এৰ সংসদীয় দলৰ নেতা হিচাপে নৰেন্দ্ৰ মোদী নিৰ্বাচিত হোৱাটো প্ৰত্যক্ষ কৰাৰ সুবিধা পোৱাটো তেওঁৰ বাবে এক গৌৰৱৰ বিষয় বুলি তেওঁ কয়। তেওঁ কয় যে, নৰেন্দ্ৰ মোদীৰ শক্তিশালী ভাষণত জনসাধাৰণৰ কল্যাণমুখী সুপ্ৰশাসন গঢ়ি তোলা এন ডি এ চৰকাৰৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে।

ইপিনে এন ডি এৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিজেপিৰ জ্যেষ্ঠ নেতা লালকৃষ্ণ আদৱানী আৰু মুৰুলী মনোহৰ যোশীক সাক্ষাৎত কৰি তেওঁলোকৰ আশীৰ্বাদ লয়। শ্ৰী মোদীয়ে লগতে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দকো নতুন দিল্লীত থকা তেওঁৰ বাসগৃহত সাক্ষাৎ কৰে।

০০০০

এন ডি এ মিত্ৰজোঁটৰ নেতাসকলে আজি ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰি নতুন চৰকাৰ গঠনৰ বাবে দাবী জনোৱাৰ লগে লগে নতুন মন্ত্ৰীসভাক লৈ জল্পনা-কল্পনা অব্যাহত আছে। দেশৰ বিভিন্ন প্ৰান্তৰ কেইবগৰাকীও আগশাৰীৰ নেতা সংসদলৈ নিৰ্বাচিত হোৱাৰ পৰিপ্ৰেক্ষিতত নতুন মন্ত্ৰীসভা সন্দৰ্ভত জনসাধাৰণৰ মাজত উৎকণ্ঠা বিৰাজ কৰিছে। মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা তথা যোৱাবাৰৰ মন্ত্ৰীয়ে এইবাৰো মন্ত্ৰীসভাত স্থান লাভ কৰাৰ সম্ভাৱনা আছে। উত্তৰ-পূৰ্বাঞ্চলৰ কোন কোন নেতাই মোদী মন্ত্ৰীসভাত স্থান লাভ কৰিব তাক লৈও জল্পনা-কল্পনা অব্যাহত আছে। যোৱা বেলি অসমৰ পৰা সৰ্বানন্দ সোণোৱাল আৰু ৰামেশ্বৰ তেলীয়ে মোদী মন্ত্ৰীসভাত স্থান লাভ কৰিছিল। এইবেলি অসমৰ ১৪ খন আসনৰ ভিতৰত এন ডি এ মিত্ৰজোঁটে ১১ খন আসন লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ নৱ-নিৰ্বাচিত সাংসদসকলে আজিৰ এন ডি এৰ বৈঠকত অংশগ্ৰহণ কৰিছে। মোদীৰ নতুন মন্ত্ৰীসভাত উত্তৰ-পূৰ্বাঞ্চলৰ কোন কোন সাংসদে স্থান লাভ কৰিব সেয়া লক্ষ্যণীয় হ'ব।

০০০০

ভাৰতীয় ৰিজাৰ্ভ বেংকে একেৰাহে অষ্টমবাৰৰ বাবে ৰেপ'ৰেট অপৰিবৰ্তিত কৰি ৰাখিছে। আজি মুদ্ৰানীতি সমিতিৰ পৰ্যালোচনা বৈঠকৰ অন্তত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ শক্তিকান্ত দাসে কয় যে, বেংকটোৱে ৰেপোৰেট ৬ দশমিক ৫ শতাংশ ৰখাৰ সিদ্ধান্ত লৈছে। তেওঁ লগতে কয় যে, চলিত বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ হাৰ ৭ দশমিক ২ শতাংশ হব বুলি অনুমান কৰিছে। উল্লেখযোগ্য যে, ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহত ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপোৰেট ৬ দশমিক ৫ শতাংশলৈ বৃদ্ধি কৰিছে। তাৰ পৰৱৰ্তী সময়ত বেংকটোৱে এই হাৰ অপৰিৱৰ্তিত ৰাখিছে।

০০০০

বেংগালুৰুৰ এখন বিশেষ আদালতে আজি কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীৰ জামিন চৰ্ত সাপেক্ষে মঞ্জুৰ কৰিছে। কৰ্ণাটকৰ পূৰ্বৰ বিজেপি চৰকাৰৰ বিৰুদ্ধে তেওঁ অনা অভিযোগ সন্দৰ্ভত ৰুজু হোৱা এটা গোচৰত তেওঁৰ জামিন মঞ্জুৰ কৰা হৈছে। অহা ৩০ জুনত গোচৰটোৰ পৰৱৰ্তী শুনানি গ্ৰহণ কৰা হ'ব। কৰ্ণাটকৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে সামাজিক মাধ্যমৰ জৰিয়ে ৰাহুল গান্ধীয়ে বিজেপি চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ অনাৰ পৰিপ্ৰেক্ষিতত বিধায়িনি পৰিষদৰ সদস্য বি এছ্ কেশৱ প্ৰসাদে তেওঁৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছিল।

০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী মাধৱদেৱ আন্তৰ্জাতিৰ প্ৰেক্ষাগৃহত আজি বিশ্ব খাদ্য সুৰক্ষা দিৱস উপলক্ষে এখন সভা অনুষ্ঠিত হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অন্তৰ্গত খাদ্য সুৰক্ষা আয়ুক্তালয়ৰ উদ্যোগত আয়োজিত এই সভাত স্বাস্থ্য বিভাগৰ লগতে আন কেইবাটাও বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত **অপ্ৰত্যাশিত পৰিস্থিতিৰ বাবে প্ৰস্তুতি** বিষয় সন্দৰ্ভত কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াই ভাষণ দিয়ে। সভাত সঠিক পৰিমাণৰ তথা সুৰক্ষিত খাদ্য গ্ৰহণৰ ক্ষেত্ৰত চৰকাৰ তথা জনসাধাৰণৰ দায়বদ্ধতা সন্দৰ্ভত কেইবাগৰাকীও বক্তাই গুৰুত্ব আৰোপ কৰে। পৰম্পৰাগত পদ্ধতিৰে গোবৰ সাৰ ব্যৱহাৰ কৰি খেতি কৰাৰ সময়ত অসুৰক্ষিত খাদ্যৰ প্ৰত্যাহ্বান নাছিল যদিও কৃষি আধুনিকীকৰণৰ লগে লগে ৰাসায়নিক সাৰ, কীটনাশক আদিৰ অনিয়ন্ত্ৰিত প্ৰয়োগে খাদ্যসুৰক্ষাৰ প্ৰতি লৈ অহা ভাবুকি সন্দৰ্ভত বৈঠকত আলোকপাত কৰা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি আজি ভ্ৰাম্যমাণ বাহনৰ জৰিয়তে সুৰক্ষিত খাদ্য সম্পৰ্কীয় হাতপুথি আদি বিতৰণ কৰি জনসাধাৰণক সজাগ কৰোৱাৰ প্ৰচেষ্টা চলোৱা হয়।

০০০০

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ উদ্যোগত গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে স্বাস্থ্য মন্থন ১২ শীৰ্ষক এখন কৰ্মশালা তথা পৰ্যালোচনা সভা অনুষ্ঠিত হয়। কৰ্মশালাখন উদ্বোধন কৰি ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অভিযান সঞ্চালক ড° এম এছ্ লক্ষ্মীপ্ৰিয়াই ২০২৩-২৪ বিত্তীয় বৰ্ষৰ সামগ্ৰিক প্ৰদৰ্শন প্ৰকাশ কৰে। কৰ্মশালা আৰু পৰ্যালোচনা সভাত শ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী জিলাসমূহক সম্বৰ্ধনা জনোৱা হয়। সভাত উপস্থিত জিলা স্বাস্থ্য বিষয়াসকলৰ প্ৰতিখন জিলাৰ স্বাস্থ্য সেৱা প্ৰদৰ্শন সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

০০০০

চৰাইদেউ জিলাৰ কৃষি বিভাগৰ উদ্যোগত আজি বিভাগীয় আঁচনিসমূহ তথা কৃষক উৎপাদক গোট সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সোণাৰী কৃষি উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত কৃষক উৎপাদন গোটসমূহে কৃষি পদ্ধতি তথা তেঁওলোকে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে

আলোচনা কৰা হয়। সভাত জিলা কৃষি বিষয়াই এই ক্ষেত্ৰত থকা আসোঁৱাহসমূহ দূৰীকৰণৰ বাবে প্ৰচেষ্টা চলাব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে কৃষকসকলক কৃষিকাৰ্যৰ প্ৰতি অনুপ্ৰাণিত কৰাৰ বাবে বিভিন্ন বিভাগীয় আঁচনিৰ লাভালাভৰ বিষয়ে ব্যক্ত কৰে। এই সভাত কৃষক গোটৰ কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আঁচনিৰ অধীনত বীমা কৰাবলৈও পৰামৰ্শ দিয়ে। সভাত জিলা কৃষি বিভাগৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত আছিল।

০০০০

ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমানত এক নম্বৰ গৌৰাজাৰত বিষাক্ত কাঠফুলা ভক্ষণ কৰি একেটা পৰিয়ালৰ ৫ গৰাকী লোক অসুস্থ হৈছে। ব্যক্তিকেইগৰাকীক প্ৰথমতে ডিমাকুছি আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পিছত সংকটজনক অৱস্থাত ওদালগুৰি চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই গোৱালপাৰাৰ মথাউৰিৰ সমস্যা স্থায়ীভাৱে সমাধান কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সদৰি কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি গোৱালপাৰাৰ মাটিয়া অঞ্চলৰ মজগুৰিত দুধনৈ নদীৰ মথাউৰি পৰ্যৱেক্ষণ কৰি স্পৰ্শকাতৰ ঠাইসমূহ মেৰামটি কৰাৰ বাবে বিভাগটোক নিৰ্দেশ দিয়ে। বিগত দুটা বছৰত দুধনৈ আৰু কৃষ্ণাই নদীৰ পানীয়ে জিলাখনৰ মথাউৰিসমূহৰ ক্ষতি কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে, গোৱালপাৰাৰ ১১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ ভিতৰত ৬০ কিলোমিটাৰ অংশ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে নিৰ্মাণ কৰা। তেওঁ লগতে কয় যে, এই বিশেষ অংশটো পৰ্যায়ক্ৰমে জলসম্পদ বিভাগৰ অধীনলৈ আনি স্থায়ীভাৱে সমস্যা সমাধানৰ চেষ্টা কৰা হ'ব।

০০০০

মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই খহনীয়া প্ৰতিৰোধ সন্দৰ্ভত নেডাৰলেণ্ডছৰ এগৰাকী প্ৰতিনিধিৰ সৈতে আজি এখন বিশেষ বৈঠকত মিলিত হয়। নেডাৰলেণ্ডছৰ প্ৰতিনিধিগৰাকীয়ে গছপুলি ৰোপণৰ জৰিয়তে প্ৰাকৃতিক উপায়েৰে খহনীয়া প্ৰতিৰোধ কৰাৰ ব্যৱস্থা সন্দৰ্ভত বিশেষ ব্যাখ্যা আগবঢ়ায়। উল্লেখযোগ্য যে, আয়ুক্তগৰাকীয়ে আজি জিলাখনৰ মৰিগাঁও ৰাজহচক্ৰৰ অধীনৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। নিজ তেতেলীয়া মৌজাৰ অধীনৰ মৰাকলং, উত্তৰখোলা মৌজাৰ অধীনৰ সৰলপাম, দুৰুলাডুবী, পূব ধৰমটোল আদি অঞ্চল পৰিদৰ্শন কৰি স্থানীয় লোকসকলৰ সৈতে মত বিনিময় কৰে। পৰিদৰ্শন কালত আয়ুক্তগৰাকীৰ সৈতে মৰিগাঁও চক্ৰবিষয়াকে ধৰি কেইবাগৰাকীও কৰ্মচাৰী উপস্থিত থাকে। উল্লেখযোগ্য যে, মৰিগাঁও ৰাজহ চক্ৰৰ ১৫ খন আৰু মায়ং ৰাজহ চক্ৰৰ ৪২ খনকে ধৰি জিলাখনৰ বিভিন্ন অঞ্চল বানত প্লাৱিত হৈছে।

০০০০

ৰে'ল আৰক্ষীয়ে আজি গুৱাহাটী ৰে'ল ষ্টেচনত বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰে। দলটোৱে ত্ৰিপুৰা সুন্দৰী এক্সপ্ৰেছত অভিযান চলাই ১৫টা পেকেটত বান্ধি থোৱা অৱস্থাত মাদকদ্ৰব্যখিনি জব্দ কৰে। ঘটনাসন্দৰ্ভত ৰে'ল আৰক্ষীয়ে এটি কিশোৰ সহ তিনিজন লোকক আটক কৰিছে।

০০০০

ৰাজ্যত অহা নৱেম্বৰ-ডিচেম্বৰ মাহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। লোকসভা নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধক্ষ্যতাত কালি অনুষ্ঠিত ৰাজ্য চৰকাৰৰ কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ পাছতেই অনুষ্ঠিত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে,

নিৰ্বাচনৰ পূৰ্বে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ সমষ্টিবোৰৰ পুনৰ্নিৰ্দ্ধাৰণ কৰাৰ লগতে উন্নয়ন খণ্ডবোৰৰো পুনৰ গঠন কৰা হ'ব।

ইপিনে, **অৰুণোদয়** আঁচনিৰ যোগেদি আৰু কিমান লোকক সামৰি ল'ব পাৰি, অন্তৰ্ভুক্ত হ'বলগীয়া পৰিয়ালৰ সংজ্ঞা, ৰাজ্যৰ বিত্তীয় অৱস্থা আদিৰ পৰ্যালোচনা কৰি চৰকাৰক এখন প্ৰতিবেদন দিবলৈ কেবিনেট উপ সমিতি গঠন কৰা হৈছে বুলিও ডঃ শৰ্মাই জানিবলৈ দিয়ে। বিত্তমন্ত্ৰী অজন্তা নেওগৰ অধ্যক্ষতাত গঠিত কমিটীখনৰ সদস্যসকল হৈছে মন্ত্ৰী ৰণোজ পেগু, বিমল বৰা, কেশৱ মহন্ত আৰু ৰঞ্জিৎ দাস। কমিটীখনে এমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

আনহাতে **নিযুত মইনা** নামৰ আঁচনিখনৰ যোগেদি হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলৰ বাৰ্ষিক, শৈক্ষিক অনুদান কেনেদৰে প্ৰদান কৰা হ'ব সেই সম্পৰ্কত পৰামৰ্শ দিবলৈও আন এখন কমিটী গঠন কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰী ৰণোজ পেগু আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক লৈ গঠন কৰা কমিটীখনে এসপ্তাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। অহা ১৫ আগষ্টত এই ধন মোকলাই দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। তদুপৰি ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ যোগেদি আৰু ১৫ লাখ লোকক বিনামূলীয়া চাউল বিতৰণৰ বাবে অন্তৰ্ভুক্ত কৰা, অহা ছেপ্তেম্বৰ মাহৰ পৰা মাইক্ৰ' ফাইনেন্সৰ ঋণ ৰেহাই আঁচনিৰ যোগেদি ৫০ হাজাৰ টকা পৰ্যন্ত ঋণ লোৱাসকলক এন চি প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা আদি সিদ্ধান্তও কালি অনুষ্ঠিত কেবিনেট বৈঠকত গ্ৰহণ কৰা হয়।

ইফালে, ছেপ্তেম্বৰ মাহত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ যোজনাৰ অধীনত প্ৰথম পৰ্যায়ত ৩০ হাজাৰ নিবনুৱাক ১ লাখ টকাকৈ প্ৰথম কিস্তিৰ বিত্তীয় সাহায্যও প্ৰদান কৰা হ'ব।

চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি প্ৰদানৰ বাবে পৰামৰ্শদান সমিতিয়ে ইতিমধ্যে ইউনেস্ক'লৈ ইতিবাচক প্ৰতিবেদন প্ৰেৰণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা মাহত ভাৰতৰ অধ্যক্ষতাত নতুন দিল্লীত ইউনেস্ক'ৰ বৈঠক অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত নতুন দিল্লীত থকা ইউনেস্ক'ৰ প্ৰতিখন সদস্যৰাষ্ট্ৰৰ দূতাবাসৰ সৈতে ৰাজ্য চৰকাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সহযোগত যোগাযোগ কৰিব বুলি কেবিনেটত সিদ্ধান্ত লোৱা হয়। কালিৰ কেবিনেটত দূৰদৰ্শন আৰু আকাশবাণীযোগে মহাবীৰ লাচিত বৰফুকনৰ জীৱন সম্পৰ্কে ৫২টা খণ্ডত সম্প্ৰচাৰ কৰাৰ বাবে ৰাজ্য চৰকাৰ আৰু প্ৰসাৰ ভাৰতীয়ে ১০ কোটি টকাকৈ ব্যয় কৰাৰ বাবে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তিত অনুমোদন জনোৱা হয়।

ইফালে অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিৰুদ্ধে জীৱনজোৰা যুঁজ দিয়া প্ৰয়াত বীৰুবালা ৰাভাৰ মৃত্যু দিন ১৩ মে'ৰ দিনটো ৰাজ্য চৰকাৰে কু-সংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰিবলৈও কেবিনেটত সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাজ্যৰ বান পৰিস্থিতিৰ বিষয়ে আলোচনা হোৱাৰ কথা সদৰি কৰি ডঃ শৰ্মাই কয় যে, ৰাজ্যখনত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ নৈসমূহত ২৬৪ কিলোমিটাৰত কোনো মথাউৰি নাই। ইয়াৰ বাবেই বহু অঞ্চল বানৰ কবলত পৰে। বান প্ৰতিৰোধৰ বাবে মথাউৰি নিৰ্মাণত কিমান ধনৰ প্ৰয়োজন হ'ব সেই সম্পৰ্কে প্ৰতিবেদন যুগুতাবলৈ জলসম্পদ বিভাগক কোৱা হৈছে বুলিও মুখ্যমন্ত্ৰী ডঃ শৰ্মাই জানিবলৈ দিয়ে।

oooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা শিশুসকলক স্বীকৃতি প্ৰদান সন্দৰ্ভত মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে জিলাসমূহৰ পৰা মনোনয়ন বিচাৰিছে। যোগ্যতাসম্পন্ন প্ৰাৰ্থীসকলে https://awards/gov.in অনলাইন প'ৰ্টেলত অহা ৩১ জুলাইৰ ভিতৰত আবেদন কৰিব পাৰিব। আবেদনকাৰীয়ে আবেদনৰ প্ৰতিলিপি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰিব লাগিব। উল্লেখযোগ্য যে

সাহসিকতা, ক্ৰীড়া, সমাজসেৱা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, পৰিৱেশ, কলা আৰু সংস্কৃতিৰ লগতে উদ্ভাৱনমূলক দিশত অৰিহণা যোগোৱা নিৰ্বাচিত শিশুসকলক নতুন দিল্লীত ৰাষ্ট্ৰপতিয়ে এই পুৰস্কাৰ প্ৰদান কৰিব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত **মোদীৰ তৃতীয় কাৰ্যকাল** বিষয়ত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিজেপিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱা আৰু জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০

টি-২০ ক্ৰিকেট বিশ্বকাপ প্ৰতিযোগিতাত আজি কানাডা আৰু আয়াৰলেণ্ড মুখামুখি হ'ব। নিউয়ৰ্কত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি আজি সন্ধিয়া ৮ বজাত আৰম্ভ হ'ব। আনহাতে কাইলৈ পুৱা পাঁচ বজাত হ'বলগীয়া আন এখন খেলত আফগানিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

০০০০

ৰাজ্য চৰকাৰৰ কৃতি শিক্ষক বঁটা প্ৰাপ্ত, প্ৰজ্ঞা আচাৰ্য সন্মানেৰে বিভূষিত, ড০ আম্বেদকাৰ ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সুৰেন্দ্ৰ নাথ বাৰ্মাৰ আজি দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁ বয়স আছিল ৭২ বছৰ। শিক্ষাবিদগৰাকীৰ মৃত্যুত বিভিন্ন দল, সংগঠনে শোক প্ৰকাশ কৰে।

০০০০

সমাপ্ত